GOVT. OF ASSAM
OFFICE OF THE JOINT DIRECTOR OF HEALTH SERVICES, (M) ASSAM
NATIONAL VECTOR BORNE DISEASE CONTROL PROGRAMME, ASSAM
SAIKIA COMMERCIAL COMPLEX, 2ND FLOOR, "B"BLOCK
G.S. ROAD, CHRISTIAN BASTI, GUWAHATI-781005.

No. NVBDCP/IEC- BCC/ News Report/ 2015 / 10272 Dated- 21.07.2015

প্ৰতি

মাননীয় সম্পাদক, অসমীয়া প্ৰতিদিন,
গুৱাহাটী, অসম

বিষয় :- অসমীয়া প্ৰতিদিন কাকতত ২১-৭-২০১৫ তাৰিখে প্ৰকাশিত "জাপানীজ এন্‌কেফেলাইটিছত মৃত্যু এজনৰ- চিকিৎসাধীন ৭" শিৰ্ষত বাতৰিৰ সন্ধৰ্ভত স্পষ্টীকৰণ।

মহাশয়,

বিহিত সন্মানপূৰ্বক নিবেদন এই যে আজি ২১-৭-২০১৫ তাৰিখে "অসমীয়া প্ৰতিদিন" কাকতত প্ৰকাশিত "জাপানীজ এন্‌কেফেলাইটিছত মৃত্যু এজনৰ- চিকিৎসাধীন ৭" শিৰ্ষত বাতৰিতো ৰাজ্যচৰকাৰৰ স্বাস্থ্য ও পৰিয়াল কল্যান বিভাগৰ দৃষ্টিগোচৰ হৈছে, বাতৰিত উল্লেখিত ধৰনে যোৱা ২০-৭-২০১৫ তাৰিখলৈ নগাওঁ জিলাত এজনো লোকৰ জাপানীজ এন্‌কেফেলাইটিছ ৰোগত মৃত্যু হোৱা নাই।

যোৱা ২০-৭-২০১৫ তাৰিখলৈ ৰাজ্যখনত ৪১ জন লোক জাপানীজ এন্‌কেফেলাইটিছ ৰোগত মৃত্যু হোৱাৰ লগতে ২৮১ জন ৰোগী চিকিৎসাধীন হৈ আছে আৰু এই ৪১ জন ৰোগীৰ ভিতৰত ৩৯ জনেই এন্‌কেফেলাইটিছ ৰোগৰ প্ৰতিশেধক টিকা গ্ৰহন কৰা নাছিল। ৰাজ্যৰ স্বাস্থ্য ও পৰিয়াল কল্যান বিভাগৰ জাপানীজ এন্‌কেফেলাইটিছ ৰোগ প্ৰতিৰোধৰ বাবে গ্ৰহন কৰা প্ৰদক্ষেপৰ কাৰনেই যোৱা ২০-৭-২০১৪ তাৰিখৰ তুলনাত এই বছৰত আক্ৰান্তৰ সংখ্যা ক্ৰমাৎ কমি আহিছে (২০-৭-২০১৪ তাৰিখত জাপানীজ এন্‌কেফেলাইটিছ ৰোগৰ মৃত্যুৰ সংখ্যা -৪২, আক্ৰান্তৰ সংখ্যা - ২৯২)

জাপানীজ এন্‌কেফেলাইটিছ ৰোগ প্ৰশমিত কৰিবলৈ ৰাজ্যৰ স্বাস্থ্য ও পৰিয়াল কল্যান বিভাগে তলত উল্লেখিত প্ৰদক্ষেপ সমূহ ৰূপায়িত কৰি আহিছে।

১। ৰাজ্যৰ চিকিৎসামহাবিদ্যালয়, জিলা অসামৰিক চিকিৎসালয় আৰু মহকুমা চিকিৎসালয় সমূহত এন্‌কেফেলাইটিছ ৰোগীৰ বাবে আচুতিয়া বিচনা তথা ৱাৰ্ডৰো ব্যৱস্থা কৰা হৈছে। লগতে ৰাজ্যৰ সকলো চৰকাৰী চিকিৎসালয়ত জাপানীজ এন্‌কেফেলাইটিছ ৰোগৰ চিকিৎসা ব্যৱস্থা কৰা হৈছে।
২। ৰোগীৰ সুবিধা অনুসৰি ১০২ এম্বুলেন্স সেৱাৰো ব্যৱস্থা কৰা হৈছে।
৩। ৰাজ্যৰ সকলো অঞ্চলত ইতিমধ্যে ফগিং (ধোৱা দিয়া) ৰ ব্যৱস্থা কৰা হৈছে।
৪। আঠুৱা ঔষধিকৰণ কাৰ্য্যসূচী সমগ্ৰ ৰাজ্যখনত ইতিমধ্যে আৰম্ভ কৰা হৈছে।
৫। ৰাজ্যৰ সকলো জিলাত ইতিমধ্যেই জাপানীজ এন্‌কেফেলাইটিছ ৰোগ নিবাময়ৰ বাবে সজাগতা সভাৰ বিভিন্ন কাৰ্য্যসূচী ৰূপায়িত হৈ আহিছে।

ৰাজ্যৰ স্বাস্থ্য ও পৰিয়াল কল্যান বিভাগ জনসাধাৰনৰ স্বাস্থ্যৰ প্ৰতি সদায় সচেতন আৰু বিভাগটোৱে জাপানীজ এন্‌কেফেলাইটিছ ৰোগ প্ৰশমিত কৰিবৰ বাবে অহৰহ প্ৰচেষ্টা চলাই আহিছে।

ভৱদীয়
(signature)
যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক (মে.), অসম

Memo No. NVBDCP/IEC- BCC/ News Report/ 2015 /10273-76 Dated- 21.07.2015

Copy to :

1. The PS to the Hon'ble Minister, Health & FW Deptt., Govt. of Assam for kind appraisal of the Hon'ble Minister.
2. Addl.Chief Secretary, Chief Minister Office, Dispur, Assam.
3. The Principal Secretary, Health & FW Deptt., GOA for favour of information.
4. The OSD to the Hon'ble Chief Minister of Assam for kind appraisal of the Hon'ble Chief Minister.

(signature)
যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক (মে.), অসম